**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 27-02-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::::**

২০২৫ চনৰ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ আগমুহূৰ্তত আজি ২০২৪ আৰু ২০২৫ বৰ্ষৰ বাবে অসম চৰকাৰৰ ৰাজ্যিক বিজ্ঞান বঁটা প্ৰাপকসকলৰ নাম ঘোষণা কৰা হৈছে। এইবেলি বিশিষ্ট বিজ্ঞানী তথা ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান গুৱাহাটীৰ প্ৰাক্তন সঞ্চালক ড০ গৌতম বৰুৱাক ২০২৪ বৰ্ষৰ আৰু বিশিষ্ট পদাৰ্থ বিজ্ঞানী তথা কটন মহাবিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ দিলীপ কুমাৰ চৌধুৰীক ২০২৫ বৰ্ষৰ বৈজ্ঞানিক গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত জীৱনজোৰা কৃতিত্বৰ বঁটা আগবঢ়োৱা হ'ব। ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান গুৱাহাটীৰ ইলেকট্ৰনিক্স আৰু বৈদ্যুতিক অভিযান্ত্ৰিক বিভাগৰ সহকাৰী অধ্যাপক ড০ তন্ময় দত্তক ২০২৪ বৰ্ষৰ যুৱ বিজ্ঞানী উদ্ভাৱক বঁটা প্ৰদান কৰা হ'ব। এই একে বঁটা জ্যোতিৰ্বিজ্ঞান আৰু জ্যোতিপদাৰ্থ বিজ্ঞানৰ আন্তঃবিশ্ববিদ্যালয় পুনে কেন্দ্ৰৰ গৱেষক ড০ অংশুমান বৰগোঁহাইলৈ ২০২৫ বৰ্ষৰ যুৱ বিজ্ঞানী-উদ্ভাৱক বঁটা আগবঢ়োৱা হ'ব। অসমত বৈজ্ঞানিক গৱেষণাৰ প্ৰসাৰ-বিজ্ঞান প্ৰচাৰত ব্ৰতী প্ৰতিষ্ঠান-সংগঠন বঁটা ২০২৪ বৰ্ষৰ বাবে গুৱাহাটীৰ ফাৰ্মাছিউটিকেল শিক্ষা আৰু গৱেষণাৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান নাইপাৰে লাভ কৰিছে। সেইদৰে ২০২৫ বৰ্ষৰ বাবে এই বঁটা লখিমপুৰৰ অসম বিজ্ঞান লেখক সংস্থালৈ আগবঢ়োৱা হ'ব।

অসম চৰকাৰৰ হৈ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগে বিজ্ঞান আৰু প্ৰযুক্তি ক্ষেত্ৰলৈ মূল্যবান অৱদান আগবঢ়োৱা অসমৰ বিশিষ্ট বিজ্ঞানী, যুৱ বিজ্ঞানী তথা উদ্ভাৱক আৰু বিজ্ঞান চৰ্চা চিন্তনৰ বাতাৱৰণৰ প্ৰসাৰ-প্ৰচাৰত অৰিহণা যোগোৱা বৈজ্ঞানিক প্ৰতিষ্ঠান সংস্থাক প্ৰতি বছৰে ৰাজ্যিক বিজ্ঞান বঁটাৰে সন্মানিত কৰি আহিছে। অসম চৰকাৰৰ মন্ত্ৰী কেশৱ মহন্তই বঁটা প্ৰাপক কেওগৰাকী বিশিষ্ট বিজ্ঞানী, যুৱ বিজ্ঞানী, উদ্ভাৱক আৰু প্ৰতিষ্ঠান সংস্থালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।

০০০০

গুৱাহাটীৰ জলবোৰ্ডৰ অধীনৰ ক্ষেত্ৰ সীমাৰ সকলো এলেকাত অহা ২ মাৰ্চৰ পৰা ৫ মাৰ্চলৈ পানী যোগান ব্যাহত হ'ব বুলি গুৱাহাটী মহানগৰ খোৱাপানী আৰু পয়-প্ৰণালী পৰিষদে এখন ৰাজহুৱা জাননী যোগে ঘোষণা কৰিছে। জাননীখনত উল্লেখ কৰা অনুসৰি মূল পাইপলাইনৰ ৰ'বটিক পৰীক্ষাৰ বাবে পানী যোগান ব্যাহত থাকিব। এনে অসুবিধাৰ বাবে দুখ প্ৰকাশ কৰি সবিশেষ তথ্যৰ বাবে ৬০০৩৯-২০৮৪৬ অথবা ৬০০২৪-৭৮২৬৩ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে জলবোৰ্ডে কিছুদিন পূৰ্বে পানী পৰিবাহী নলীৰ আসোঁৱাহ-বিসংগতি আদি ধৰা পেলোৱাৰ বাবে প্ৰথম পৰ্যায়ৰ ৰ'বটিক জৰীপ সম্পন্ন কৰিছিল।

০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহাপ্ৰবন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱে আজি মালিগাঁৱৰ উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য কাৰ্যালয়ত ৰে'লৱেৰ জ্যেষ্ঠ বিষয়াবৰ্গৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ সংমণ্ডলৰ অধীনত মালবাহী ল'জিষ্টিক বৃদ্ধি আৰু কাৰ্গো আন্তঃগাঁথনি পৰিচালনৰ দায়বদ্ধতাৰ অংশ হিচাপে সমগ্ৰ অঞ্চলটোত থকা নতুন গতিশক্তি কাৰ্গো টাৰ্মিনেলৰ অগ্ৰগতিৰ মূল্যাংকণ কৰা হয়। এই বৈঠকত পি এম গতিশক্তি ফ্ৰেমৱৰ্কৰ অধীনত মালবাহী পৰিচালনাৰ আন্তঃগাঁথনি সুশৃংখলিত কৰাৰ বাবে পৰ্যালোচনা কৰা হয়। কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে গুৱাহাটীত অনুষ্ঠিত এডবাণ্টেজ অসমৰ দ্বিতীয় সংস্কৰণ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনত অংশগ্ৰহণ কৰি যোৰহাটৰ সমীপৰ চিনামৰা

আৰু শিলচৰৰ সমীপৰ মৈনাৰবন্দত থকা দুটা টাৰ্মিনেলৰ উপৰি অসমত ছয়টা নতুন গতিশক্তি কাৰ্গো টাৰ্মিনেলৰ বিকাশৰ কথা ঘোষণা কৰিছে। গতিশক্তি কাৰ্গো টাৰ্মিনেল হৈছে কাৰ্গোৰ দ্রুত আৰু অধিক কাৰ্যক্ষমতা পৰিচালনৰ বাবে গুৰুত্বপূৰ্ণ ঔদ্যোগীক অংশীদাৰসকলৰ অংশগ্ৰহণেৰে নিৰ্মাণ কৰা অত্যাধুনিক ল'জিষ্টিক টাৰ্মিনেল।

oooo

মঙলদৈ চহৰৰ দুই নম্বৰ ৱাৰ্ডত অৱস্থিত এটা বেচৰকাৰী সংস্থাৰ দ্বাৰা পৰিচালিত নিচামুক্তি আৰু পুনৰসংস্থাপন কেন্দ্ৰত এজন নাবালক আবাসীক কেন্দ্ৰটোৰ পৰিচালক-কৰ্মচাৰীয়ে শাৰীৰিক আতিশয্য চলোৱা ঘটনা সন্দৰ্ভত দৰং জিলাৰ আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে আজি দণ্ডাধীশৰ তদন্তৰ নিৰ্দেশ দিয়ে। কাৰ্যবাহী দণ্ডাধীশ তথা মঙলদৈ ৰাজহচক্ৰ বিষয়া পাৰ্থ প্ৰতীম বৰুৱাক এই তদন্তৰ দায়িত্ব আৰোপ কৰি আগন্তুক এসপ্তাহৰ ভিতৰত ইয়াৰ সম্পূৰ্ণ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। এই প্ৰতিবেদনৰ ভিত্তিতে জিলা প্ৰশাসনে নিচামুক্তি কেন্দ্ৰটোৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে প্ৰয়োজনীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব। ঘটনাটো সন্দৰ্ভত কালি দৰং জিলা আৰক্ষীয়ে কেন্দ্ৰটোৰ মুখ্য কাৰ্যবাহীসহ ৫ গৰাকী কাৰ্যকৰ্তা আৰু কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰি আদালতৰ জৰিয়তে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছিল।

oooo

চৰাইদেউ জিলা যক্ষ্মা কেন্দ্ৰত আজি আয়োজিত এটা অনুষ্ঠানত ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ আৰু প'লিমাৰ লিমিটেড চমুকৈ বি চি পি এলে  নিক্ষয় মিত্ৰ হিচাপে আগবঢ়োৱা পুষ্টিকৰ খাদ্যৰ টোপোলা বিতৰণ কৰা হয়। চৰাইদেউ জিলাৰ আয়ুক্ত ডাঃ নেহা যাদৱে আনুষ্ঠানিকভাৱে ভালেমান যক্ষ্মা ৰোগীৰ মাজত এই টোপোলাসমূহ বিতৰণ কৰে। জিলাখনত চলি থকা ১০০ দিনীয়া যক্ষ্মা নিৰ্মূল অভিযানত ৭৪ হাজাৰ লোকৰ যক্ষ্মা পৰীক্ষা কৰা হয় আৰু ইয়াৰে ২৪০ গৰাকীৰ দেহত এই ৰোগ ধৰা পৰে। উল্লেখযোগ্য যে বি চি পি এলে চৰাইদেউ জিলাত ৩ বছৰৰ বাবে যক্ষ্মা ৰোগীক পুষ্টিকৰ খাদ্য প্ৰদান কৰিব।

oooo

ঃঃ সমাপ্ত ঃঃ